**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date : 08**-09-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত হ'বলগীয়া গ্লোবেল ফিনটেক ফেষ্ট-চমুকৈ জি এফ এফ ২০২৬ৰ উদ্বোধন কৰিব।

২। প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি গুজৰাটত ৩৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। উত্তৰ-পূৰ্বাঞ্চলৰ চাৰিখন ৰাজ্য ভ্ৰমণসূচীৰে অসমত উপস্থিত হোৱা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আজি ইটানগৰলৈ ৰাওনা হ'ব।

৪। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰ হোৱাৰ বাবে ভাৰতৰ দাবীক লাক্জেমবাৰ্গৰ উপ-প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী জেভিআৰ বেটেলে সমৰ্থন কৰিছে।

*আৰু*

৫। জাপানৰ আইচি-নাগোয়াত ১৯ ছেপ্তেম্বৰৰ পৰা ৪ অক্টোবৰলৈ এছিয়ান গেমছ্ ২০২৬ অনুষ্ঠিত হ'ব।০০০০

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মুম্বাইত হ'বলগীয়া গ্লোবেল ফিনটেক ফেষ্ট-চমুকৈ জি এফ এফ ২০২৬ৰ উদ্বোধন কৰিব। জি এফ এফ হৈছে বিশ্বৰ অন্যতম বৃহৎ আৰু প্ৰভাৱশালী বাৰ্ষিক বিত্তীয় প্ৰযুক্তি সন্মিলন। উল্লেখযোগ্য যে জি এফ এফ ২০২৬ ৰ জৰিয়তে ডিজিটেল লেনদেন আৰু বিত্তীয় অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত ভাৰতৰ নেতৃত্বৰ ওপৰত ভিত্তি কৰি সম্ভাৱনাৰ পৰা বাস্তৱ প্ৰভাৱৰ দিশে আগবঢ়োৱাৰ লক্ষ্য লোৱা হৈছে। সন্মিলনত কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম প্ৰযুক্তি আৰু অন্যান্য গুৰুত্বপূৰ্ণ তথা উদীয়মান প্ৰযুক্তিয়ে কেনেদৰে বিশ্বৰ জনসাধাৰণ, উদ্যোগ আৰু অৰ্থনীতিৰ বাবে বিশ্বাসযোগ্য, সৰ্বাঙ্গীন আৰু পৰিমাপযোগ্য ফলাফল সৃষ্টি কৰিব পাৰে সেই বিষয়ে আলোচনা কৰা হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গুজৰাট আৰু মহাৰাষ্ট্ৰ ভ্ৰমণ কৰিব। গুজৰাটৰ বদোদৰাত প্ৰধানমন্ত্ৰীয়ে ৩৫ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ২০ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে বিকশাই তোলা ৱেষ্টাৰ্ণ ডেডিকেটেড ফ্ৰেইট কৰিড'ৰৰ তিনিটা গুৰুত্বপূৰ্ণ অংশ ৰাষ্ট্ৰৰ সেৱাত উৎসৰ্গা কৰিব। আহমেদাবাদ বিমান বন্দৰত সাংবাদিকৰ

সৈতে হোৱা কথাবতৰাত কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱনে কয়, যে (WDFC) প্ৰকল্পটো সম্পূৰ্ণ হৈছে আৰু প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এই প্ৰকল্পটো জনসাধাৰণৰ নামত উৎসৰ্গা কৰিব।

(বাইট ঃ বৈষ্ণৱ)

প্ৰধানমন্ত্ৰীয়ে নিউ সানন্দ (উত্তৰ), নিউ মকৰপুৰা, নিউ আম্বাৰগাঁও আৰু নিউ জে এন পি টি মুম্বাইৰ পৰা মালবাহী ৰে'ল সেৱাও মুকলি কৰিব। তেওঁ লগতে বদোদৰা আৰু টাণ্ডা ৰোডৰ মাজত এখন নতুন ৰে'ল সেৱাৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই ভ্ৰমণ কালত ৯ হাজাৰ ৭০০ কোটিৰো অধিক টকা ব্যয়সাপেক্ষ তিনিটা ৰে'ল প্ৰকল্প আৰু এহেজাৰ ৭৮০ কোটি টকা ব্যয়সাপেক্ষে তিনিটা ৰাষ্ট্ৰীয় ঘাইপথ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় দুহেজাৰ ৬০০ কোটি টকা ব্যয়সাপেক্ষে গুজৰাট চৰকাৰৰ ভালেমান প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

শ্ৰীমোদীয়ে মহাৰাষ্ট্ৰৰ মুম্বাইত গোলকীয় ফিন্‌টেক মহোৎসৱ ২০২৬ উদ্বোধন কৰাৰ উপৰি জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব। এই বৰ্ষৰ জি এফ এফ ২০২৬ৰ মূল বিষয়বস্তু হৈছে- “Potential to Impact: Agentic AI, Tokenisation, Quantum - Trusted, Connected, Global Systems for Inclusive Finance.”

উল্লেখযোগ্য যে ২০২০ ৰ পৰা অনুষ্ঠিত হৈ অহা এই গোলকীয় ফিন্‌টেক মহোৎসৱ হৈছে- নীতি নিৰ্ধাৰক, কেন্দ্ৰীয় বেংক, বিত্তীয় প্ৰতিষ্ঠান ফিনটেক্স, প্ৰযুক্তি কম্পেনী, বিনিয়োগকাৰী আদি একেখন মঞ্চত একত্ৰিত হৈ ভৱিষ্যতৰ বিত্তীয় ৰূপৰেখা তৈয়াৰ কৰা এখন নেতৃত্বৰ মঞ্চ। মুম্বাইত অনুষ্ঠিত এই মহোৎসৱৰ সপ্তম সংস্কৰণ অহা ১১ ছেপ্তেম্বৰত সামৰণি পৰিব।

০০০০০

উত্তৰ-পূৰ্বাঞ্চলৰ চাৰিখন ৰাজ্য ভ্ৰমণসূচীৰে অসমত পৰহি উপস্থিত হোৱা উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আজি ইটানগৰলৈ ৰাওনা হ'ব। তেওঁ অৰুণাচল প্ৰদেশ বিধানসভাৰ বিশেষ অধিৱেনত উপস্থিত থকাৰ লগতে গেলেৰী আৰু সংগ্ৰাহালয় দৰ্শন কৰিব। তেওঁ লগতে ইটানগৰত থকা জৱাহৰলাল নেহৰু ৰাজ্যিক সংগ্ৰাহালয় আৰু শ্ৰৱণ আৰু দৃষ্টিশক্তি ৰহিত ডঞ্চী প'ল মিছন স্কুল পৰিদৰ্শন কৰিব।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে কালি মেঘালয়ৰ শ্বিলঙত ইউ চ'চ' থাম প্ৰেক্ষাগৃহত তেওঁৰ সন্মানৰ অৰ্থে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ লগতে এহেজাৰ কোটি টকা ব্যয় সাপেক্ষ পাঁচটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে।

উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে তেওঁৰ ভাষণত মেঘালয়ৰ চহকী ঐতিহ্য, প্ৰাকৃতিৰ সৌন্দৰ্য আৰু মাতৃপ্ৰধান ঐতিহ্যকে ধৰি ব্যতিক্ৰমী সামাজিক সংস্থাসমূহৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ তৃণমূল পৰ্যায়ৰ সংস্থাসমূহে ভাৰতৰ বৈচিত্ৰ আৰু গণতান্ত্ৰিক পৰম্পৰাক প্ৰতিফলিত কৰিছে। এহেজাৰ কোটিতকৈও অধিক ধন ব্যয় সাপেক্ষে গ্ৰহণ কৰা প্ৰকল্পসমূহে ৰাজ্যখনৰ যথেষ্ট উন্নতি কৰিব বুলি উল্লেখ কৰি উপৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে এই প্ৰকল্প ৰূপায়িত হ'লে মেঘালয়ৰ নাগৰিক সকলৰ পানীৰ নিৰাপত্তা সুনিশ্চিত হ'ব। পথ সংযোগকৰণ প্ৰকল্প, শ্বিলং ছিভিল হাস্পতালত আয়ুষৰ সুবিধা আৰু পি এম ডিভাই আঁচনিৰ অধীনত বিকলাই তোলা ছাবষ্টেচনে ৰাজ্যখনৰ অত্যাৱশ্যকীয় সেৱাসমূহ পুৰণ কৰাত সহায় কৰিব। মেঘালয়ৰ জনসাধাৰণ বিশেষকৈ যুৱ প্ৰজন্মই ৰাজ্যখন উন্নতিৰ বাবে উৎসৰ্গাৰ মনোভাবেৰে কাম কৰি যাব বুলি উপৰাষ্টপতিগৰাকীয়ে আশা ব্যক্ত কৰে।

তেওঁ ৰাজ্যখনৰ গাৰো, খাচী আৰু জয়ন্তীয়া লোকসকলে পৰিৱেশন কৰা চহকী সাংস্কৃতিক অনুষ্ঠানো উপভোগ কৰে।

০০০০০

লাক্‌জেমবাৰ্গৰ উপ-প্ৰধানমন্ত্ৰী আৰু বিদেশ মন্ত্ৰী জেভিআৰ বেটেলে ভাৰতক ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰ হোৱাৰ দাবীক সমৰ্থন কৰি কয়, যে বৰ্তমানৰ পৰিৱৰ্তিত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰসংঘৰ সংস্থাসমূহৰ নীতি-নিয়মৰ সংস্কাৰ হোৱাটো প্ৰয়োজন। এটা সংবাদ সংস্থাৰ সৈতে হোৱা সাক্ষাৎকাৰত মন্ত্ৰী শ্ৰী বেটেলে কয়, যে ভাৰতৰ বিশালতা আৰু বিশ্বজনীন গুৰুত্বৰ পৰিপ্ৰেক্ষিতত দেশখনক ৰাষ্ট্ৰসংঘৰ সম্প্ৰসাৰিত নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য ৰাষ্ট্ৰ হিচাপে অন্তৰ্ভুক্ত কৰাটো প্ৰয়োজনীয় হৈ পৰিছে। তেওঁ কয়, যে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদ বিশ্বৰ বৃহৎ দেশসমূহক অন্তৰ্ভুক্তিৰে সম্প্ৰসাৰিত কৰা উচিত। মন্ত্ৰী শ্ৰী বেটেলে ভেটো ব্যৱস্থাৰ সমালোচনা কৰি কয়, যে এয়া দ্বিতীয় বিশ্বযুদ্ধৰ স্মাৰক হিচাপেহে বৰ্তমান বৰ্তি আছে। তেওঁ লগতে এই বুলিও যুক্তি আগবঢ়ায় যে, যিকোনে এখন দেশৰে বৃহৎ আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ে সমৰ্থন কৰা কোনো সিদ্ধান্তৰ বিৰোধিতা কৰাৰ ক্ষমতা থকাটো উচিত নহয়। তেওঁ ভেটো ব্যৱস্থাত দুই তৃতীয়াংশ দেশৰ সমৰ্থন থাকিলে ইয়াক নুই কৰিব পৰাৰ ক্ষমতাৰ লগতে গণতান্ত্ৰিক সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত ভালেসংখ্যক প্ৰতিনিধিৰ অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়। উল্লেখযোগ্য যে শ্ৰী বেটেলে তিনিদিনীয়া ভ্ৰমণ সূচীৰে ভাৰতত উপস্থিত হৈছে।

০০০০০

অতিপাত বৰষুণ আৰু জলবিদ্যুত প্ৰকল্পৰ পৰা পানী এৰি দিয়াৰ ফলত উত্তৰ প্ৰদেশৰ ২৫খন জিলাত বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। ৰাজ্যখনৰ কেবাখনো জিলাত যোৱা ২৪ ঘন্টাত মজলীয়াৰ পৰা প্ৰচণ্ড বৰষুণ হয়। যোৱা ২৪ ঘন্টাত বাৰেলী, ইটাহ, শ্বাহজাহানপুৰ, বেহৰাইচ আৰু লখিমপুৰ খিৰি জিলাই সৰ্বাধিক বৃষ্টিপাত হোৱা দেশৰ শীৰ্ষ ৫ খন জিলাৰ ভিতৰত স্থান লাভ কৰিছে। ধাৰাসাৰ বৰষুণৰ বাবে বৰেলীত আগন্তুক ২ দিনৰ বাবে সকলো বিদ্যালয় বন্ধ ঘোষণা কৰাৰ লগতে চৰকাৰী বিষয়াসকলৰ ছুটী বাতিল কৰা হৈছে। বানপীড়িত অঞ্চলসমূহত সাহায্য বিতৰণ আৰু উদ্ধাৰ অভিযান অব্যাহত আছে। বানপানীৰ পিছত ৰোগৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি স্বাস্থ্য বিভাগো সক্ৰিয় হৈ আছে। ইফালে বদৌন আৰু বলীয়াত গংগা, শ্বাহজাহানপুৰত ৰামগংগা, বাৰাবংকিৰত ঘঘ্ৰা, বলিয়াৰত অযোধ্যা আৰু তুৰতিপাৰ আৰু লখিমপুৰ খেৰীত শাৰদা নদী বিপদসীমাৰ ওপৰেৰে বৈ আছে। বতৰ বিজ্ঞান বিভাগে আগন্তুক ২৪ ঘন্টাত ৰাজ্যখনৰ পূব প্ৰান্তৰ জিলাসমূহত ধাৰাসাৰ বৰষুণ হব পাৰে বুলি সতৰ্কবাণী জাৰি কৰিছে।

০০০০০

জাপানৰ আইচি-নাগোয়াত ১৯ ছেপ্টেম্বৰৰ পৰা ৪ অক্টোবৰলৈ এছিয়ান গেমছ ২০২৬ অনুষ্ঠিত হ'ব। অৱশ্যে মুকলি অনুষ্ঠানৰ ৯ দিন পূৰ্বে অৰ্থাত ১০ ছেপ্টেম্বৰৰ পৰাই খেল

আৰম্ভ হোৱাৰ কথা। ১৭ ছেপ্টেম্বৰত টেকবলৰ জৰিয়তে ভাৰতৰ অভিযান আৰম্ভ হোৱাৰ বিপৰীতে ১৮ ছেপ্টেম্বৰত ভাৰতীয় মহিলা ক্ৰিকেট দলে জাপানৰ বিৰুদ্ধে কোৱাৰ্টাৰ ফাইনেলত আৰম্ভণি কৰিব। ভাৰতে ক্ৰিকেট আৰু কাবাডীত পুৰুষ আৰু মহিলা উভয় দলৰ খিতাপ দখল কৰাৰ চেষ্টা চলাব। বিপৰীতে হকীত ভাৰতীয় পুৰুষৰ দলটোৱেও ডিফেণ্ডিং চেম্পিয়ন হিচাপে প্ৰৱেশ কৰিব। ২০ ছেপ্টেম্বৰৰ পৰা ইচিনোমিয়া চিটি মিউনিচিপাল জিমনেছিয়ামত বেডমিণ্টনত দুবাৰৰ অলিম্পিক পদক বিজয়ী পিভি সিন্ধুৱে খেলিব। অলিম্পিক পদক বিজয়ী মিৰাবাই চানুৱে ভাৰতৰ পাঁচজনীয়া ভাৰোত্তোলন দলৰ নেতৃত্ব দিব। আনহাতে অলিম্পিক পদক বিজয়ী মনু ভাকেৰ শ্যুটিঙত আৰু, পেৰিছ ২০২৪ত ব্ৰঞ্জৰ পদক বিজয়ী অমন ছেহৰাৱাটে মল্লযুঁজত অংশগ্ৰহণ কৰিব।

ভাৰতৰ বক্সাৰসকলে কমনৱেলথ গেমছত ৭টা সোণ আৰু তিনিটা ৰূপৰ পদক লাভ কৰাৰ পাছত জাপানত উপস্থিত হব.অলিম্পিক পদক বিজয়ী লভলিনা বৰগোহাঁই আৰু কমনৱেলথ গেমছৰ চেম্পিয়ন সাক্ষী চৌধাৰী ভাৰতীয় বক্সাৰসকলৰ ভিতৰত অন্যতম। ২৪ ছেপ্টেম্বৰৰ পৰা ২৯ ছেপ্টেম্বৰলৈ অনুষ্ঠিত হ’বলগীয়া এথলেটিকছত ভাৰতৰ হৈ ৭০ জনতকৈ অধিক লোকে অংশগ্ৰহণ কৰিব।

০০০০০

আহমেদাবাদত অনুষ্ঠিত বিশ্ব পেৰা আৰ্চাৰী প্ৰতিযোগীতাত আজি ভাৱনা আৰু পূজাই চীনৰ লিয়াং কিউৰং আৰু চেন ইউৰ বিৰুদ্ধে খেলিব। ভাৰতীয় যুটিটোৱে ঘৰুৱা মাটিত বিজয়ৰ লক্ষ্যৰে খেলত অৱতীৰ্ণ হব। পেৰা ৰিকাৰ্ভ পুৰুষৰ দলীয় ফাইনেলত ভাৰতৰ হৰবিন্দৰ সিং আৰু বিজয় সুণ্ডীয়ে শ্লোভাকিয়াৰ ডেভিদ ইভান আৰু ডেনিছ ইভানৰ বিৰুদ্ধে খেলিব। পাৰা কম্পাউণ্ড পুৰুষৰ দলীয় ফাইনেলত ভাৰতৰ শ্যাম সুন্দৰ স্বামী আৰু টোমন কুমাৰে ইৰাকৰ আব্বাছ কাধিম আৰু আনৱেৰ আলদাওদৰ বিৰুদ্ধে খেলিব। মিক্সড টিম ডব্লিউ ১ ফাইনেলত ভাৰতৰ স্বাতী চৌধুৰী আৰু আদিল মহম্মদ নাজিৰ আনছাৰীয়ে চেকিয়াৰ সৰকা পুলটাৰ মুচিলোভা আৰু ডেভিদ ড্ৰাহ’নিনস্কিৰ সৈতে যুঁজিব।

০০০০০

**সমাপ্ত**